আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, FEBRUARY 02, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৩৬ Guwahati, Assam ।। মূল্যঃ এটকা




অৱশেষত মুকলি আকাশৰ তললৈ! ‘কা’ আন্দোলনৰ সময়ত গ্ৰেপ্তাৰ হোৱা কৃষক মুক্তিৰ নেতা পৃথ্বিৰাজ দলে, প্ৰদীপ নাৰ্জাৰী, প্ৰভাত চেতিয়া, হৰমুজ আলি, অভয় দে’, নুৰুল ইছলামক গামোচাৰে আদৰণি সংগঠনটোৰ নেতা বিদ্যুত শইকীয়াৰ

## নিৰ্বাচনী আধাৰশিলা!

### শনিবাৰে অসমলৈ আহিব প্ৰধানমন্ত্ৰী

২০২৪ চনৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আধাৰশিলাৰ লোভনীয় কাৰ্যসূচী লৈ শনিবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব নৰেন্দ্ৰ মোদী। দেওবাৰে মুঠ ১১৫৯৯ কোটি টকাৰ একাধিক প্ৰকল্পৰ আধাৰশিলা মুকলি কৰিব প্ৰধানমন্ত্ৰীগৰাকীয়ে৷ এই প্ৰকল্পসমূহৰ ভিতৰত আছে দলং, পথ, ষ্টেডিয়াম আদি। বিতং বাতৰি ৩ পৃষ্ঠাত।

# ৰাজ্যসভাতো চৰ্চিত মুখ্যমন্ত্ৰীৰ ‘শূদ্ৰবিৰোধ’

## দুই মানসৰ যুদ্ধ অব্যাহত!



আলফা স্বাধীনৰ নেতাক আকৰ্ষিত কৰিবলৈ মানস চলিহাই যুৱতীক যৌন শিক্ষা দিয়াৰ অভিযোগ উত্থাপন কৰিছে মানস বৰগোহাঁয়ে৷ বিতং বাতৰি ৪ পৃষ্ঠাত।

## সবকা সাথ সবকা বিকাশক লৈ সৰৱ বিৰোধী দলপতি খাৰ্গে



নতুন দিল্লী, ২ ফেব্ৰুৱাৰীঃ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ তথা ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গেয়ে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সদনৰ পৰাই আক্ৰমণৰ লক্ষ্য কৰি লয়। ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ত অসমত হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ৰাহুল গান্ধীক হাৰাশাস্তি কৰাৰ অভিযোগৰ মাজতে নাম নোলোৱাকৈয়ে আজি হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লয় দলিত নেতা তথা কংগ্ৰেছৰ মুৰব্বী মল্লিকাৰ্জুন খাৰ্গেয়ে। হিমন্ত বিশ্ব শৰ্মাই শূদ্ৰ তথা জনজাতিসকলক লৈ কৰা অপমানজনিত মন্তব্যৰ বিৰুদ্ধে ৰাজ্যসভাৰ মজিয়াতে সৰৱ হৈ পৰে দলিতনেতাগৰাকী। ব্ৰাহ্মণ্যবাদী তথা বৰ্ণবাদী ব্যৱস্থাক লৈ ছ'চিয়েল মিডিয়াত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিয়া পোষ্টক সমালোচনা কৰে খাৰ্গেয়ে। শেষাংশ ৩ পৃষ্ঠাত

# ‘সংসদক ৰাজদৰবাৰত পৰিণত কৰিছে বিজেপিয়ে’

## লোকসভাত গৌৰৱ গগৈৰ উদাত্ত ভাষণ

**নতুন দিল্লী, ২ ফেব্রুৱাৰীঃ** ‘২০১৪ চনৰ পূৰ্বে এই সদনখনক গণতন্ত্ৰৰ মন্দিৰ বুলি কোৱা হৈছিল। কিন্তু এতিয়া সদন মন্দিৰ হৈ নাই, এতিয়া এয়া এজন বিশেষ সম্ৰাটৰ ৰাজদৰাবলৈ লাহে লাহে সলনি হৈছে।’ – সংসদৰ অধিৱেশনৰ সময়ত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ অভিভাষণৰ ধন্যবাদ প্ৰস্তাৱৰ আলোচনাত সদনৰ মজিয়াত এয়া আছিল কলিয়াবৰ সমষ্টিৰ কংগ্ৰেছ বিধায়ক গৌৰৱ গগৈৰ ভাষ্য। গগৈয়ে কয়, "গণতন্ত্ৰৰ অন্ত পেলোৱাৰ লগতে ৰাজতন্ত্ৰৰ পৰম্পৰা প্ৰতিষ্ঠা কৰাৰ বাবে চৰকাৰে এক বিশেষ পৰিকল্পনা প্ৰস্তুত কৰিছে।” কেন্দ্ৰীয় চৰকাৰে ‘ভ্ৰম’ৰ সৃষ্টি কৰি মূল বিষয়সমূহৰ পৰা জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰাৰ অভিযোগ উত্থাপন কৰি কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে শুকুৰবাৰে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইমান উচ্চতাত নিজৰ সিংহাসন স্থাপন কৰিছে যে দেশৰ যুৱক-যুৱতী, দৰিদ্ৰ, মহিলা আৰু কৃষকৰ কণ্ঠ আজি তেওঁৰ কাণত নপৰে। অসমৰ সাংসদগৰাকীয়ে কয়, “প্ৰধানমন্ত্ৰী এটা সাধাৰণ পৰিয়ালৰ পৰা আজি বহু উচ্চতাত উপনীত হৈছে, সেয়া আমাৰ বাবেও ভাললগা কথা। কিন্তু তেওঁ আজি উচ্চতাত উপনীত হৈ সিংহাসনখন ইমান ওপৰত স্থাপন কৰিছে যে দেশৰ যুৱক-যুৱতী, দৰিদ্ৰ, মহিলা আৰু কৃষকৰ কণ্ঠ আজি তেওঁৰ কৰ্ণগোচৰ নহয়।” বিজেপি চৰকাৰৰ ৰাজতন্ত্ৰ প্ৰতিষ্ঠাৰ অন্যতম উপায় ভ্ৰম বুলি দাবী কৰি গগৈয়ে কয়, "চৰকাৰে মানুহৰ সমস্যা ঢাকিবলৈ, তেওঁলোকক প্ৰতাৰণা কৰিবলৈ আৰু আৰু মূল সমস্যাৰ পৰা দৃষ্টি আঁতৰাবলৈ ভ্ৰমক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে।" কংগ্ৰেছ সাংসদগৰাকীয়ে লগতে কয় যে যেতিয়া বিৰোধীয়ে প্ৰধানমন্ত্ৰী মণিপুৰলৈ কিয় নাযায় বুলি সোধা হয়, তেতিয়া বিজেপিয়ে ‘জি-২০’ৰ সফলতাৰ কথা কয়। বিমুদ্ৰাকৰণত এশ জন লোকৰ মৃত্যুৰ বাবে কোন জগৰীয়া বুলি প্ৰশ্ন কৰিলে বিজেপিয়ে অন্য আলাপ আৰম্ভ কৰে। গগৈয়ে কয়, “যেতিয়া আমি চীনৰ অতিক্ৰমণৰ কথা কও, তেতিয়া কোৱা হয় যে চাওক মালদ্বীপৰ তুলনাত আমাৰ ভাৰত কিমান শক্তিশালী। আদানীৰ কথা ক’লে ৰাহুল গান্ধীৰ সংসদ পদ নিলম্বন কৰা হয়। আমি যেতিয়া কৃষক, যুৱক-যুৱতী, মহিলাৰ সমস্যা আৰু অৰ্থনৈতিক বৈষম্যৰ কথা কওঁ, তেতিয়া চৰকাৰে কয় যে ভাৰত হৈছে আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতি।” গগৈয়ে দাবী কৰে যে সংসদীয় ইতিহাসত বহু প্ৰধানমন্ত্ৰী আছিল আৰু সকলোৱে সদনত উত্তৰ প্ৰদান কৰিছিল। কিন্তু যোৱা দহ বছৰৰ ভিতৰত বৰ্তমানৰ প্ৰধানমন্ত্ৰীয়ে কোনো প্ৰশ্নৰ উত্তৰ দিয়া নাই। তেওঁ লগতে কয়, “ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰে সংসদৰ অভিভাষণত কৈছিল যে এয়া তেওঁৰ নতুন সংসদ ভৱনত প্ৰথম অভিভাষণ। কিন্তু এয়া দুৰ্ভাগ্যজনক। এয়া তেওঁৰ প্ৰথম অভিভাষণ হ’ব নালাগিছিল, যদিহে ৰাষ্ট্ৰপতিক নতুন সংসদ ভৱনৰ উদ্বোধনী অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হ’লহেঁতেন।” সদনৰ শেহতীয়া অধিৱেশনত বহু বিৰোধী সদস্যক নিলম্বন কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে সংসদৰ ইতিহাসত ইমান বৃহৎ সংখ্যক সদস্যক কেতিয়াও এদিনতে নিলম্বন কৰা হোৱা নাছিল। সংসদত সংঘটিত আক্ৰমণ সন্দৰ্ভত গৃহমন্ত্ৰীৰ পৰা উত্তৰ বিচৰাৰ বাবেই ১৪৬ গৰাকী সাংসদত এদিনতে নিলম্বন কৰাটো বিশ্বৰ ভিতৰতে নজিৰবিহীন ঘটনা বুলি দাবী কৰে গৌৰৱ গগৈয়ে। গগৈয়ে অভিযোগ কৰে যে চৰকাৰে দুৰ্নীতিৰ অন্ত পেলোৱা বুলি দাবী কৰিলেও এই চৰকাৰৰ আঁচনিৰ নামতো এতিয়া কৰ সংগ্ৰহ কৰা হৈছে। প্ৰধানমন্ত্ৰী কিষাণ নিধি, উজ্বলা যোজনা, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ লাভ্যাৰ্থী হ’বলৈও এতিয়া আগতীয়াকৈ কৰ দিব লাগে বুলি দাবী কৰে গৌৰৱ গগৈয়ে। ইফালে ভাষণৰ মাজতে অসমৰ ৬ জনগোষ্ঠী- মৰাণ, মটক, আহোম, চুতীয়া, কোচ ৰাজবংশী আৰু আদিবাসীসকলৰ বাবে জনজাতিৰ মৰ্যাদা দাবী কৰে গৌৰৱ গগৈয়ে। চৰকাৰৰ ওপৰত সাধাৰণ জনতাৰ  আস্থা ভংগ হোৱা বুলি মন্তব্য কৰি গগৈয়ে কয় যে, জনসাধাৰণ এতিয়া সচেতন হৈ পৰিছে আৰু বিৰোধীয়ে ইয়াক আদৰণি জনাইছে। তেওঁ কয় যে স্বাধীনতা আন্দোলনটোও জনসাধাৰণৰ আছিল আৰু আজিও বিৰোধীয়ে আন্দোলনত প্ৰস্তৰ দৰে ৰাইজৰ সৈতে থিয় দিছে। বিজেপিক ৱাশ্বিং মেছিন আখ্যা দি গৌৰৱ গগৈয়ে কয় যে বিৰোধী নেতাৰ বিৰুদ্ধে আয়কৰ বিভাগ, ইডি আৰু চিবিআইৰ অপব্যৱহাৰ কৰি ভয়-ভাবুকি প্ৰদান কৰা হৈছে। কিন্তু বিজেপিৰ সৈতে হাত মিলালেই মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী বা অসমৰ মুখ্যমন্ত্ৰীৰ পদত বহুওৱা হৈছে। তেওঁ কয়, “বিজেপিয়ে যিমান আয়কৰ বিভাগ, ইডি, চিবিআই আমাৰ বিৰুদ্ধে লগালেও আমি ভয় নকৰো।” বিহাৰ আৰু ঝাৰখণ্ডৰ শেহতীয়া ৰাজনৈতিক পৰিঘটনাৰ কথা উল্লেখ কৰি তেওঁ দাবী কৰে যে যদি আমি চৰকাৰৰ বিৰুদ্ধে যুঁজ দিওঁ তেন্তে আমাক জেললৈ পঠিওৱা হয় আৰু যদি তেওঁলোকৰ সৈতে যোগ দিয়া হয়, তেন্তে উপ-মুখ্যমন্ত্ৰী, মুখ্যমন্ত্ৰীৰ দৰে পদ দিয়া হয়। গগৈয়ে কয়, “আমি ভাৰতক একত্ৰিত কৰিম, ন্যায়ৰ বাবে যুঁজিম। আমি ঘৃণাৰ বজাৰত প্ৰেমৰ দোকান খুলিম। আমি অন্ধ্ৰ প্ৰদেশৰ বিশেষ মৰ্যাদাৰ বাবে যুঁজ দিম। জনজাতীয় মৰ্যাদা দাবী কৰা অসমৰ ছয় জনগোষ্ঠীৰ বাবে আমি যুঁজ দিম। আমি নাৰীৰ বাবে যুঁজ দিম। আমি ভাৰতৰ সংবিধানৰ বাবে যুঁজ দিম।”

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যসভাত উত্থাপন মুখ্যমন্ত্ৰীৰ

আজি বাজেট অধিৱেশনৰ সময়ত ৰাজ্যসভাত ভাষণ দি মল্লিকাৰ্জুন খাৰ্গেয়ে কয়, "মই মুখ্যমন্ত্ৰীৰ নাম নলওঁ। যিজন আগতে কংগ্ৰেছত আছিল, কিন্তু এতিয়া বিজেপিত আছে আৰু বিজেপি দলৰ 'লাডলা' (মৰমৰ)। বিজেপিৰ মুখ্যমন্ত্ৰীজনে কয় যে 'কৃষি, গৰু পালন আৰু বাণিজ্য বৈশ্যৰ প্ৰাকৃতিক কৰ্তব্য আৰু ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যসকলৰ সেৱা কৰাটো এজন শূদ্ৰৰ কৰ্তব্য।' এনে ভাষা কোৱা এই দেশৰ মুখ্যমন্ত্ৰীক আঁতৰ কৰা উচিত। এনেধৰণৰ চিন্তা কৰা ব্যক্তি এজনে দৰিদ্ৰসকলৰ বাবে কেনেকৈ কোনো নিয়ম প্ৰস্তুত কৰিব পাৰে?'' উল্লেখ্য যে, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ কেইবাটাও প্লেটফৰ্মত পোষ্ট কৰি কৈছিল যে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যসকলৰ সেৱা কৰাটো শূদ্ৰসকলৰ স্বাভাৱিক কৰ্তব্য। এই পোষ্টৰ আলমতে সদনত প্ৰধানমন্ত্ৰীক লক্ষ্য কৰি খাৰ্গেয়ে কয় যে আপুনি এনে লোকক কেনেদৰে দলত ৰাখিছে? মই প্ৰধানমন্ত্ৰীক আহ্বান জনাইছো আপুনি এনে লোকক দলৰ পৰা আঁতৰ কৰক৷ প্ৰধানমন্ত্ৰীক লক্ষ্য কৰি খাৰ্গেয়ে আৰু কয় যে আপুনি দাবী কৰে যে আপুনি সামাজিক ন্যায় আনিব। সকলোৱে ন্যায় পাব। এয়াই আপোনাৰ দলৰ মানুহৰ মানসিকতা নেকি? যেতিয়া ক্ষমতাত থকা লোকসকলে এই কথা কয়, তেতিয়া মোৰ দুখ লাগে। খাৰ্গেয়ে কয় 'মই উদ্বেগ উত্থাপন কৰিছো, কাৰণ প্ৰধানমন্ত্ৰী সদনত উপস্থিত আছে। তেওঁ এই বিষয়ে ভাৱিব। তেওঁ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন বৈঠক আহ্বান কৰিব পাৰে আৰু ক'ব যে তেওঁলোকে এনে নকৰক৷' উল্লেখ্য যে, দেশজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হোৱাত এই পোষ্টটো ডিলিট কৰিছিল মুখ্যমন্ত্ৰীয়ে৷ বহু লোকে জাতিবাদী, ব্ৰাহ্মণ্যবাদী আখ্যা দিছিল হিমন্ত বিশ্ব শৰ্মাক৷ ফলত মুখ্যমন্ত্ৰীৰ ছ'চিয়েল মিডিয়া টিমৰ লোকে ভাগৱত গীতাৰ শ্লোক অশুদ্ধকৈ অনুবাদ কৰা বুলি স্পষ্টিকৰণ দিছিল মুখ্যমন্ত্ৰীয়ে৷ মুখ্যমন্ত্ৰীয়ে কৈছিল যে নিয়মীয়াকৈ মই মোৰ ছ'চিয়েল মিডিয়া হেণ্ডেলত প্ৰতিদিনে পুৱা ভাগৱত গীতাৰ এটা শ্লোক আপলোড কৰো। আজিলৈকে, মই ৬৬৮টা শ্লোক পোষ্ট কৰিছো। শেহতীয়াকৈ মোৰ সামাজিক মাধ্যমৰ টিমৰ এজন সদস্যই অধ্যায় ১৮ পদ ৪৪ ৰ পৰা এটা শ্লোক অশুদ্ধ অনুবাদ কৰি পোষ্ট কৰিছিল। ভুলটো লক্ষ্য কৰাত মই লগে লগে পোষ্টটো ডিলিট কৰিছিলো। পোষ্টটোৱে কাৰোবাক যদি দুখ দিছে তেন্তে মই আন্তৰিকতাৰে ক্ষমা বিচাৰিছো৷

# নিৰ্বাচনকেন্দ্ৰিক আধাৰশিলা স্থাপন! শনিবাৰে অসমলৈ মোদী

## শুভ উদ্বোধন কৰিব ১১,৫৯৯ কোটিৰ একাধিক প্ৰকল্পৰ

**নতুন দিল্লী, ২ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনক কেন্দ্ৰ কৰি কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণ কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে৷ অসমলৈ আহি লোকসভা নিৰ্বাচনকেন্দ্ৰীক আধাৰশিলা স্থাপন কৰিব নৰেন্দ্ৰ মোদীয়ে৷ নৰেন্দ্ৰ মোদীয়ে অসমত থকাৰ সময়ত ১১,৫৯৯ কোটি টকাৰ আঁচনিৰ আধাৰশিলা স্থাপন কৰিব৷ ১৪ খন লোকসভা আসন থকা অসম বিজেপিৰ বাবে গুৰুত্বপূৰ্ণ৷ ২০১৪ চন আৰু ২০১৯ চনত অসমৰ ৰাইজে নৰেন্দ্ৰ মোদীক আৰ্শীবাদ দিছে৷ ২০২৪ চনৰ নিৰ্বাচনত পুনৰ যাতে আৰ্শীবাদ লাভ কৰে তাৰ বাবে লোভনীয়া আধাৰশিলাৰ কাৰ্যসূচী লৈ অসমলৈ আহিব নৰেন্দ্ৰ মোদী৷ আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিছপুৰৰ লোকসেৱা ভৱনতসংবাদমেল সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মুঠ ১১,৫৯৯ কোটি টকাৰ বহুকেইটা প্ৰকল্পৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব বুলি কয়। এই আধাৰশিলাত কামাখ্যা কৰিডৰো আছে বুলি কয় মুখ্যমন্ত্ৰীয়ে৷ ৪ ফেব্ৰুৱাৰীত মা কামাখ্যা কৰিডৰৰ আধাৰশিলা স্থাপন কৰিব৷ প্ৰধানমন্ত্ৰীৰ উত্তৰ-পূব অঞ্চল উন্নয়নমূলক আঁচনিৰ অধীনত গুৰুত্বপূৰ্ণ প্ৰকল্প হাতত লোৱা হৈছে। কামাখ্যা কৰিডৰ প্ৰকল্পই ধৰ্মীয় আৰু সাংস্কৃতিক দৃশ্যপট সলনি কৰিবলৈ সাজু হৈছে বুলি কয় মুখ্যমন্ত্ৰীয়ে। দুদিনীয়া কাৰ্যসূচীৰে শনিবাৰে নিশা ৭.৩০ বজাত অসমত উপস্থিত হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। নিশা প্ৰধানমন্ত্ৰীয়ে বিজেপিৰ ৰাজ্যিক কোৰ কমিটীৰে বৈঠক কৰিব। নিশা ৰাজ্যিক অতিথিশালাত কটাব৷ ৪ ফেব্ৰুৱাৰীৰ ১১.৩০ বজাত খানাপাৰাৰ খেলপথাৰত ৰাজহুৱা সভা সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মুঠ ১১,৫৯৯ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৪৯৮ কোটি টকাৰ মা কামাখ্যা দিব্যলোক পৰিযোজনা, ৩৫৮ কোটি টকাৰ বিমান বন্দৰ সংযোগী পথ, ৩,৪৪৪ কোটি টকাৰ ৩৮ খন দলং আৰু ৪৩টা পথ, ৮৩১ কোটি টকাৰে নেহেৰু ষ্টেডিয়ামক উন্নীতকৰণ, ৩০০ কোটি টকাৰে চন্দ্ৰপুৰ ষ্টেডিয়াম, ৩,২৫০ কোটি টকাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন, ৫৭৮ কোটি টকাৰে কৰিমগঞ্জ চিকিৎসা মহাবিদ্যালয় আৰু ২৯৭ কোটি টকাৰে ইউনিটি মল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব৷ লগতে ১,৪৫১ কোটি টকাৰ বিশ্বনাথ চাৰিআলি-গহপুৰ সংযোগী পথ আৰু দলীবাৰী-জামুগুৰি পথ চাৰিলেনযুক্ত পথৰ আধাৰশিলা স্থাপন কৰিব প্ৰধানমন্ত্ৰীয়ে৷ ইপিনে প্ৰধানমন্ত্ৰীৰ আগমনৰ দিনটোত ৩ ফেব্ৰুৱাৰীত খানাপাৰাত ১ লাখ বন্তি প্ৰজ্বলন কৰিব মহিলা কোষে আৰু যুৱ মৰ্চাই। প্ৰধানমন্ত্ৰী মোদীক অসমলৈ আদৰিবলৈ ২ হাজাৰ বাইকেৰে ৰেলী কৰিব বিজেপিৰ ভাতৃ সংগঠন যুৱ মৰ্চাই।

## কাজিৰঙাত মাদ্ৰাছাৰ ছাত্ৰক তুলিলে হেলিকপ্টাৰত

# বুলডজাৰেৰে মাদ্ৰাছা ভঙা মুখ্যমন্ত্ৰীৰ অন্য ৰূপ!

**ই-সংবাদ, ২ ফেব্ৰুৱাৰীঃ** বুলডজাৰ লগাই মাদ্ৰাছা ভাঙি পেলোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আজি দেখা গ'ল অন্য ৰূপ। হঠাতে মাদ্ৰাছা ছাত্ৰক ভাল লাগিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ। মাদ্ৰাছাৰ প্ৰতি বাৰে বাৰে বিষোদগাৰ প্ৰকাশ কৰা মুখ্যমন্ত্ৰীয়ে আজি মাদ্ৰাছাৰ কণ কণ ছাত্ৰৰ সৈতে প্ৰাণ খুলি কথা পাতিলে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে ব্যৱহাৰ কৰা হেলিকপ্টাৰ চাবলৈ অহা মাদ্ৰাছা ছাত্ৰৰ সৈতে কথাপাতে হিমন্ত বিশ্ব শৰ্মাই। আজি এই দৃশ্য দেখা যায় গোলাঘাট জিলাৰ কাজিৰঙাত। মাদ্ৰাছাৰ ছাত্ৰসকলে মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে ব্যৱহাৰ কৰা হেলিকপ্টাৰ চাবলৈ অহা বুলি প্ৰকাশ কৰে। হাৰমতিৰ পৰা অহা ছাত্ৰসকলক মুখ্যমন্ত্ৰীয়ে কেইবাটাও প্ৰশ্নও কৰে। মাদ্ৰাছাত কি কি পঢ়াই বুলি প্ৰশ্ন কৰাত ছাত্ৰসকলে কোৰাণ, কায়দা আদি পঢ়োৱাৰ লগতে গণিত, ইংৰাজী, অসমীয়া, হিন্দী, সমাজ বিজ্ঞান আদি পঢ়ুৱাই বুলি মুখ্যমন্ত্ৰীক উত্তৰ দিয়ে। ছাত্ৰৰ উত্তৰ শুনি মুখ্যমন্ত্ৰীয়ে কয় যে মই এদিন আহিম। মাদ্ৰাছা স্থাপন কৰা লোকজনৰ নাম, জোনাব কেইজন আছে, খানাপীনা ভালকৈ দিয়ে নেকি বুলি প্ৰশ্ন কৰে। মাদ্ৰাছাৰ স্থাপন কৰা লোকজনৰ নাম জামাল আহমেদ চাহাব, জোনাব ১২ জন আৰু খাদ্য ভালকৈ দিয়ে বুলি ছাত্ৰসকলে উল্লেখ কৰে। ছাত্ৰসকলৰ ঠিকনা জানিব বিচৰাত ছাত্ৰসকলে মুখ্যমন্ত্ৰীক ঠিকনা জানিবলৈ দিয়ে। তাৰ পাছতে মুখ্যমন্ত্ৰীয়ে মাদ্ৰাছা ছাত্ৰসকলক হেলিকপ্টাৰৰ ওচৰলৈ মাতি আনি ৰখাই থোৱা হেলিকপ্টাৰখনত উঠিবলৈ কয়। ছাত্ৰসকলে হেলিকপ্টাৰত উঠি আনন্দিত হয়। মাদ্ৰাছা ছাত্ৰৰ সৈতে বাৰ্তালাপ কৰা ভিডিঅ' শ্বেয়াৰ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে আজি কাজিৰঙাৰ ওচৰত কণমানি ছাত্ৰসকলৰ সৈতে বাৰ্তালাপ কৰি ভাল লাগিল। এই মধুৰ সময়খিনিত হেলিকপ্টাৰ ওচৰৰ পৰা চোৱাৰ ইচ্ছা প্ৰকাশ কৰা কণমানিসকলক আকাশীযানত ভ্ৰমণ কৰিব পৰা আৰু আকাশ চুব পৰাকৈ সমৰ্থৱান হ'বলৈ বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰে।

# আলফাৰ নেতাক আকৰ্ষিত কৰিবলৈ যুৱতীক যৌন প্ৰশিক্ষণ! মানসৰ বিস্ফোৰণ

**ই-সংবাদ, ২ ফেব্ৰুৱাৰীঃ** আলফা স্বাধীনৰ ম্যানমাৰস্থিত শিবিৰত বন্দী মানস বৰগোহাঁইৰ তৃতীয় ভিডিঅ' মুকলি কৰিছে আলফা স্বাধীনে। আজি আলফা স্বাধীনৰ নামত থকা ইউটিউব চেনেল যোগে মুকলি কৰা ভিডিঅ'টোত মানস বৰগোহাঁইৰ মন্তব্য প্ৰকাশ কৰা হৈছে। এই ভিডিঅ'টোত পূৰ্বে প্ৰকাশ কৰা মানস চলিহাক লৈ কিছু বিস্ফোৰণ ঘটাইছে মানস বৰগোহাঁয়ে। আলফা স্বাধীনৰ নেতাক আকৰ্ষিত কৰিবলৈ মানস চলিহাই যুৱতীক যৌন শিক্ষা দিয়াৰ অভিযোগ উত্থাপন কৰিছে মানস বৰগোহাঁয়ে। যৌনতাৰ দ্বাৰা আলফা স্বাধীনৰ নেতাক কেনেদৰে আকৰ্ষিত কৰিব পাৰি সেই প্ৰশিক্ষণ দিছিল মানস চলিহাই। আনহাতে মানস চলিহাই মানস বৰগোহাঁইক চিনি নাপাওঁ, ভিডিঅ'তহে প্ৰথমবাৰ দেখিছো বুলি অভিযোগ উত্থাপন কৰিছিল। এই মন্তব্যৰ প্ৰত্যুত্তৰ দি মানস চলিহাই গোকাট মিছা কথা কোৱা বুলি কয় মানস বৰগোহাঁয়ে। মানস বৰগোহাঁয়ে আজি প্ৰকাশ কৰা ভিডিঅ' যোগে কয় যে মানস চলিহাই মিছা মাতিছে। মানস চলিহাৰ প্ৰেমিকা আৰু মোৰ প্ৰেমিকা সৰুৰে পৰা বান্ধৱী। মই মোৰ প্ৰেমিকাৰ সূত্ৰে মানস চলিহাক চিনি পাও। মোক চিনি নাপাও বুলি কৈ নিজকে বচাবলৈ চেষ্টা কৰিছে মানস চলিহাই। মানস চলিহা বিশেষ শাখাৰ জনেল হেড হিচাপে সমগ্ৰ অপাৰেচনক তদাৰক কৰাৰ অভিযোগ উত্থাপন কৰি মানস বৰগোহাঁয়ে আৰু কয় যে যুৱক-যুৱতীৰ প্ৰশিক্ষণৰ তদাৰক কৰিছিল মানস চলিহাই। অৰ্গেনিক ফাৰ্মক লৈ মানস চলিহাই মিছা মতাৰ লগতে বহু যুৱতীক যৌন শিক্ষা দিয়াৰ অভিযোগ উত্থাপন কৰে। যুৱতীক যৌন শিক্ষা দি আলফা স্বাধীৰ নেতাক আকৰ্ষিত কৰাত গুৰুত্ব দিয়া বুলিও কয়মানস বৰগোহাঁয়ে। ইমানে নহয় মানস চলিহাই বহু নিবনুৱাক চাকৰিৰ টোপ দিছিল। গণকপুখুৰী চাৰিআলি, যোগনীয়া গাঁৱৰ ৰাইজৰ প্ৰসংগ টানি আনি মানস চলিহাই মোক চিনি পাই নে নাপায় সোধক বুলি কয় মানস বৰগোহাঁয়ে। গণকপুখুৰী চাৰিআলি, যোগনীয়া গাঁৱৰ ৰাইজক সত্য কথা কবলৈও আহ্বান জনাই মানস বৰগোহাঁয়ে। বেলতলাৰ অজন্তা পথৰ ৰয়েল এনক্লেভৰ ৪০১, ৪০৯, ২০৭ নম্বৰ কোঠাত প্ৰশিক্ষণ লোৱাৰ কথা পুনৰ দোহাৰী এটা কোঠাত কেৱল যুৱতীসকলক প্ৰশিক্ষণ দিয়া হৈছিল বুলি উল্লেখ কৰে। ইপিনে মানস বৰগোহাঁয়ে অসমৰ যুৱক-যুৱতীক কয় 'মানস চলিহাৰ দৰে লোকৰ জালত ভৰি নিদিব আৰু আলফা স্বাধীনলৈ নাহিবা।'

# দিল্লীত একেটা পথতে আপ-বিজেপিৰ প্ৰতিবাদ

**নতুন দিল্লী, ২ ফেব্ৰুৱাৰীঃ** নতুন দিল্লীত আজি একেটা পথতে দুটা ৰাজনৈতিক দলে প্ৰতিবাদ সাব্যস্ত কৰে৷ বিজেপি আৰু আম আদমী পাৰ্টীয়ে দিল্লীত পথৰ ওপৰত বিৰোধ প্ৰদৰ্শন কৰে৷ বিজেপি আৰু আপৰ নেতা-কৰ্মীসকলে নিৰপত্তাৰক্ষীৰ সৈতে হতাহতি কৰি দেখা যায়৷ দীন দয়াল উপাধ্যায় মাৰ্গত বিজেপি আৰু আপে প্ৰতিবাদ সাব্যস্ত কৰে৷ ৫০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কেজৰিৱালৰ দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰি অৰবিন্দ কেজৰিৱালৰ পদত্যাগ দাবী কৰে বিজেপিয়ে৷ আনহাতে চণ্ডিগড় নিৰ্বাচনত অসৎ উপায় অৱলম্বন কৰাৰ অভিযোগ আনি বিজেপিৰ বিৰুদ্ধে আপে প্ৰতিবাদ সাব্যস্ত কৰে৷ বিজেপি সাংসদ ৰমেশ বিধুৰীয়ে চণ্ডিগড়ৰ মেয়ৰ নিৰ্বাচনৰ কথা কৈ কেজৰিৱালে ইডিৰ চমনৰ পৰা মনোযোগ আঁতৰোৱাৰ ভাও ধৰিছে। কেজৰিৱালে ক'ব লাগে যে দুই শতাংশ কৰ্তনৰ ধন ক'ত আছে। যদি ইডিৰ চমন অবৈধ হয় তেন্তে কেজৰিৱালে উচ্চতম ন্যায়ালয়লৈ কিয় যোৱা নাই? বিজেপি কৰ্মীসকলে দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালৰ বিৰুদ্ধে শ্ল'গান দি পদত্যাগ দাবী কৰে। দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ সচদেৱে কয় যে কেজৰিৱাল চৰকাৰ দুৰ্নীতিৰ সমৰ্থক। প্ৰতিদিনে চৰকাৰৰ কেলেংকাৰী ৰাইজৰ সন্মুখত উন্মোচিত হৈছে। কেজৰিৱাল চৰকাৰৰ পৃষ্ঠপোষকতাত দিল্লী জল বোৰ্ডত কেলেংকাৰী সংঘটিত হৈছে। ইপিনে চণ্ডিগড়ত শেহতীয়াকৈ অনুষ্ঠিত মেয়ৰ নিৰ্বাচনত অনিয়মৰ অভিযোগ আনি আপ কৰ্মী আৰু নেতাসকলে দলীয় কাৰ্যালয়ৰ পৰা কেইশ মিটাৰ দূৰত থকা বিজেপিৰ মুখ্য কাৰ্যালয়ত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদত উপস্থিত থাকি অৰবিন্দ কেজৰিৱালে বিজেপিক সমালোচনা কৰি কয় যে যদি চণ্ডিগড় পৌৰ নিগমৰ দৰে সৰু নিৰ্বাচনত এনে কৰিব পাৰি, তেন্তে স্পষ্টতঃ লোকসভা আৰু বিধানসভা নিৰ্বাচনত কি হ'ব পাৰে। মুখ্যমন্ত্ৰী কেজৰিৱালে কয় যে তেওঁলোকৰ বাবে গণতন্ত্ৰৰ প্ৰয়োজন নাই, কিন্তু আমি দেশখনক খেলিমেলি হ'বলৈ নিদিওঁ। একে সময়তে, বিজেপিৰ ওপৰত আক্ৰমণকাৰী ভগৱন্ত মানে বিজেপিক উদ্দেশ্যে কয় যে এই লোকসকলে কেজৰিৱালক ভিতৰলৈ লৈ যোৱাৰ কথা ভাবি আছে। আপুনি কেজৰিৱালক ভিতৰলৈ লৈ যাব কিন্তু আপুনি কেজৰিৱালৰ চিন্তাধাৰা দেশৰ পৰা কেনেকৈ আঁতৰাব। এইদৰে আজি দিল্লীৰ ৰাজপথত দেখা যায় এক বিশেষ দৃশ্য।



# বিয়া খাবলৈ গৈছিল গৃহস্থ, চোৰে লুটিলে ধন-সোণ

**ই-সংবাদ, শুৱালকুছি, ২ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত হাটীসত্ৰত এটা পৰিয়ালক লুটি নিলে চোৰৰ দলে৷ পৰিয়ালটোৱে বিয়া খাবলৈ যোৱাৰ সময়তে চোৰে প্ৰায় ৮ লাখ টকাৰ সোণৰ আ-অলংকাৰ আৰু নগদ ধন লুটি নিছিল৷ জানিব পৰা মতে শুৱালকুছি হাটীসত্ৰৰ কিশোৰ ওঁজাই আত্মীয়ৰ ঘৰত বিয়া খাবলৈ যায়৷ ঘৰত কোনো লোক নথকাৰ সুযোগ লৈ ঘৰত চুৰি কাণ্ড সংঘটিত কৰে কোনো লোকে৷ প্ৰায় ১১ বজাত সুযোগ লৈ দৰ্জা ভাঙি ঘৰত প্ৰৱেশ কৰিছিল চোৰ। বিয়া খাই আহি ঘৰত প্ৰৱেশ কৰি আলমীৰাৰ লকাৰ খোলা থকা প্ৰত্যক্ষ কৰে৷ কিশোৰ ওঁজাৰ পত্নীৰ প্ৰায় আঠ লাখ টকা মূল্যৰ ১৪ তোলা সোণৰ গহনাৰ লগতে নগদ ডেৰ লাখ টকা চোৰে লৈ যায়৷ নিশা প্ৰায় ১২ মান বজাত গৃহস্থই ঘৰত আহি মুখ্য দুৱাৰ ভঙা আৰু আলমীৰাৰ লকাৰ খোলা অৱস্থাত দেখি হতচকিত হৈ পৰে৷ আলমীৰাত থকা আ-অলংকাৰ আৰু নগদ ডেৰ লাখ টকা বিচাৰি নোপোৱাত চুৰি হোৱা বুলি নিশ্চিত হৈ শুৱালকুছি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰাত উৰহিৰ ওৰ ওলাই পৰে৷ চোৰ আছিল ঘৰৰ কাষৰে৷ প্ৰতিবেশী কমল দাস ওৰফে চিন্তু দাসে নিশা ৮ লাখ টকা সোণৰ আ-অলংকাৰ আৰু নগদ ধন চুৰি কৰিছিল৷ ফলত ঘৰৰ কাষৰ চোৰ কমল দাস ৰঙা ঘৰৰ আলহী হ'বলগীয়া হোৱাত বস্ত্ৰনগৰী শুৱালকুছিত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ পূৰ্ব স্বভাৱৰ পৰ্যবেক্ষণ কৰি কমল দাসে চুৰি কৰাৰ সন্দেহ কৰি শুৱালকুছি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল পৰিয়ালটোৱে। আৰক্ষী বিষয়া নৰজিৎ ডেকাৰ নেতৃত্বত ২৪ ঘণ্টা নৌহওঁতেই চোৰক আটক কৰিবলৈ সক্ষম হয়৷ আৰক্ষীৰ জেৰাত প্ৰতিবেশী কমল দাসে চুৰি কৰা বুলি স্বীকাৰ কৰি সোণখিনি গাতত পুতিথোৱা বুলি স্বীকাৰ কৰা গাতৰ পৰা উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে এই সন্দৰ্ভত এটি গোচৰ ৰুজু কৰি কমল দাসক জেল হাজোতলৈ প্ৰেৰণ কৰে।

# লোহিত খাবলু পঞ্চায়তত পানী যোগান ব্যৱস্থাৰ শুভাৰম্ভ

**ই-সংবাদ, মাজুলী, ২ ফেব্ৰুৱাৰীঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত আজি মাজুলীত জলজীৱন মিচনৰ অধীনত বিশুদ্ধ পানী যোগানৰ বাবে ২৬টা আঁচনি মুকলি কৰা হয়। ৰাইজক বিশুদ্ধ পানী যোগান ধৰি সু-স্বাস্থ্য প্ৰদান কৰিবলৈ মাজুলীত ২৬ খন আঁচনি মুকলি কৰি ৰাইজৰ বাবে উচৰ্গা কৰে বিধায়ক ভুবন গামে। মাজুলী জিলাৰ লগত নতুনকৈ সংযোগ হোৱা লোহিত খাবলু গাঁও পঞ্চায়তৰ পাথৰিচুকত কেন্দ্ৰীয় উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। অগণন ৰাইজৰ উপস্থিতিত পাথৰিচুক জলজীৱন মিচন আঁচনিৰ প্ৰাংগনৰ পৰা ২৬ খন আঁচনি মুকলি হয়। লোহিত খাবলুৰ পাথৰিচুক জলজীৱন মিচনৰ পানী যোগান আঁচনিৰ লগতে আন ২৫ খন জলজীৱন মিচনৰ পানী যোগান আঁচনি শুভাৰম্ভ হয়। পাথৰিচুক জলজীৱন মিচন আঁচনি শুভাৰম্ভ কৰা পাছতে নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। মাজুলী জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা সত্যেন গোস্বামীয়ে আঁতধৰা সভাত পাথৰিচুকৰ নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত পৰিৱেশন কৰে৷ সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্মচাৰী পাৰ্থ প্ৰতিম শইকীয়াই আদৰণী অনুষ্ঠান আগবঢ়ায়। ভাৰতীয় জনতা পাৰ্টিৰ সাধাৰণ সম্পাদক নৃপেন কমানে ভাৰতীয় জনতা পাৰ্টিৰ দলৰ তৰফৰ পৰা আদৰণী জনায়। সভাত বিশিষ্ট অতিথি হিচাপে ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলাৰ সভাপতি বীৰেন শইকীয়া, সন্মিলিত গণশক্তি অসমৰ মাজুলী জিলাৰ সভাপতি ৰঞ্জিত দলে, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক দীপক গোস্বামী, মাজুলী জিলা পৰিষদৰ অধ্যক্ষ পাপু দত্ত হাজৰিকা, মিচিং স্বায়ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য মুকুল পেগু আৰু ত্ৰৈলোক্য পামেগাম, মাজুলী জিলা অনুসূচিত জাতি পৰিসদৰ অধ্যক্ষ প্ৰফুল্ল দাস, লোহিত খাবলু গাঁও পঞ্চায়তৰ সভানেত্ৰী দীপ্তি পাদুন দলেয়ে অংশগ্ৰহণ কৰে। সভাত মাজুলী জিলা আয়ুক্ত ডও কাবেৰী বি শৰ্মাই লোহিত খাবলু গাঁও পঞ্চায়তক মাজুলী জিলাৰ লগত সংযুক্ত কৰা বাবে অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। সকলো চৰকাৰী বিভাগক লোহিত খাবলুলৈ আহিবলৈ আহ্বান জনায় আৰু লোহিত খাবলুক সকলো মাজুলীৰ চৰকাৰী বিভাগৰ আওতালৈ অনাৰ প্ৰতিশ্ৰুতি দিয়ে। মাজুলীৰ বিধায়ক ভুবন গামে জলজীৱন মিচনৰ ২৬ খন আঁচনি মুকলি কৰি উন্নয়ন আৰু বিকাশৰ অশ্বমেধ ঘোঁৰা দৌৰাবলৈকে লোহিত খাবলুক মাজুলী জিলাৰ লগত সংযোগ কৰা হৈছে বুলি উল্লেখ কৰে। বিধায়ক গামে লোহিত খাবলুৰ সকলো ৰাস্তা পদূলি, দলং পকী কৰি বিকাশ সাধন কৰিব বুলি কৈ অতি সোনকালেই লোহিত খাবলুবাসীয়ে মাটিৰ পট্টা লাভ কৰিব বুলি ঘোষণা কৰে।



# অসমীয়া ভাষাক বিটিআৰৰ চৰকাৰী কাম-কাজত অৱহেলা!

## বাৰপূজীয়াত দুখ প্ৰকাশ সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদকৰ

**ই-সংবাদ,ওদালগুৰি, ২ ফেব্ৰুৱাৰীঃ** কিছুদিন ধৰি বিটিআৰৰ বিভিন্ন প্ৰান্তত বিতৰণ কৰা চৰকাৰী আচনিৰ প্ৰ-পত্ৰত অসমীয়া ভাষাক অৱহেলা কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। বিশেষকৈ ৰেচন কাৰ্ড, উদ্যমিতা আচনিৰ প্ৰ-পত্ৰকে ধৰি বিভিন্ন চৰকাৰী আচনিসমূহৰ কাগজ পত্ৰত অসমীয়া ভাষাৰ সলনি বড়ো, ইংৰাজী বা অন্যান্য ভাষা ব্যৱহাৰক লৈ কেতবোৰ দল-সংগঠন প্ৰতিবাদ মুখৰ হৈ আছে। এনে সময়তে আজি মৰিগাওঁ জিলাৰ বাৰপূজীয়াৰ পাঁচোৰজা সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ একাদশ বিশেষ বাৰ্ষিক অধিৱেশনৰ প্ৰথম মুকলি সভাত বিষয়টোৱে স্থান পোৱা দেখা যায়। মুকলি সভাখনত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱাই বিষয়টো উল্লেখ কৰি দুখ প্ৰকাশ কৰে। বিটিআৰৰ বিভিন্ন শাখা সাহিত্য সভাসমূহৰ পৰা লাভ কৰা অভিযোগৰ ভিত্তিত এই বক্তব্য কৰা বুলি মুকলি সভাৰ ভাষণত স্পষ্টভাৱে প্ৰকাশ কৰে। এইক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই বিষয়টোত ব্যৱস্থা গ্ৰহণৰ বাবে মঞ্চৰ পৰাই অনুৰোধ জনায়।

## ৰঞ্জি ট্ৰফিৰ কানপুৰত অনুষ্ঠিত মেচত ব্যৰ্থ অসম

**কানপুৰ, ২ ফেব্ৰুৱাৰীঃ** ৰঞ্জি ট্ৰফিত ব্যৰ্থতাই লগ এৰা নাই অসম দলক। এইবাৰ ব্যৰ্থ হৈছে বলাৰ সকল। আজিৰে পৰা ইয়াত খেলা গ্ৰুপ 'বি'ৰ মেছত উত্তৰ প্ৰদেশে অসমৰ বিৰুদ্ধে প্ৰথম দিনা ৮০ অভাৰত দুই উইকেটত সংগ্ৰহ কৰিছে ৩১৩ ৰান। উত্তৰ প্ৰদেশৰ দুজনকৈ বেটাৰে আজি শতৰান কৰি অপৰাজিত হৈ আছে। দিনান্তত আৰিয়ান জুৱেলে ১৬২ আৰু কলণ শৰ্মাই ১০৮ ৰান কৰি বেট ধৰি আছে।

# ছেমিত আস্মিতা

**বেংকক, ২ ফেব্ৰুৱাৰীঃ** থাইলেণ্ড মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে অসমৰ আস্মিতা চলিহাই। আজি অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলত ইণ্ডোনেছিয়াৰ এষ্টাৰ ৱাৰ্ডোক ২১-১৪, ১৯-২১ আৰু ২১-১৩ ছেটত পৰাস্ত কৰিছে। টুৰ্ণামেণ্টখনৰ ছেমিফাইনেলত অসমৰ শ্বাটলাৰ গৰাকীয়ে কাইলৈ থাইলেণ্ডৰ ছুপানিডা কেতেথঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখ্য যে প্ৰতিযোগিতাখনৰ পৰা আস্মিতাৰ বাহিৰে আন আটাইকেইগৰাকী ভাৰতীয় শ্বাটলাৰ ইতিমধ্যে বিদায় মাগিছে।

# যশস্বীৰ যশেৰে শক্তিশালী স্থিতিত ভাৰত



**বিশাখাপত্তনম, ২ ফেব্ৰুৱাৰীঃ** প্ৰাৰম্ভিক বেটাৰ যশস্বী জয়চোৱালৰ দৰ্শনীয় শতৰানৰ সহায়ত ইংলেণ্ডৰ বিৰুদ্ধে ইয়াত খেলা দ্বিতীয় টেষ্টৰ প্ৰথম দিনা শক্তিশালী স্থিতিত উপনিত হ'বলৈ সক্ষম হৈছে টিম ইণ্ডিয়া। পাঁচ মেছৰ শৃংখলাটোত ১-০ত পিছপৰি থকা ঘৰুৱা দলটোৱে জয়চোৱালৰ অপৰাজিত ১৭৯ ৰানৰ সহায়ত আজি ৯৩ অভাৰত ছয় উইকেটত ৩৩৬ ৰান কৰে। ভাৰতৰ ইনিংছত জয়চোৱালৰ বাহিৰে কোনো এজন বেটাৰে অৰ্ধ-শতৰানো কৰিবলৈ সক্ষম হোৱা নাই। মিডল অৰ্ডাৰ বেটাৰ ৰজত পাতিদাৰৰ আজি অভিষেক ঘটে। কিন্তু তেওঁ মাত্ৰ ৩২ ৰানহে কৰে। ইংলেণ্ডৰ হৈ অভিষেক ঘটা স্পিনাৰ ছোৱেব বাছিৰ আৰু ৰিহান আহমেদে দখল কৰে দুটাকৈ উইকেট। দিনান্তত যশস্বীৰ সতে পাঁচ ৰান কৰি ক্ৰিজত আছে ৰবীচন্দ্ৰন অশ্বিন।



■ দিল্লীত গণৰাজ্য দিৱসৰ পেৰেডত অংশগ্ৰহণ কৰা ৰাষ্ট্ৰীয় কেডেট কৰ্পছৰ দলটোৰ অসমৰ যুৱক-যুৱতীৰে বাৰ্তালাপ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

# মোবাইলত নীলা ছবি চোৱা বাবেই সন্তানক বিহিলে মৃত্যুদণ্ড!

**অনলাইন ফিচাৰ্ছ, ২ ফেব্ৰুৱাৰী:** মোবাইলত ব্লু ফিল্ম চোৱাৰ বাবেই নিজৰ ১৪ বছৰীয়া সন্তানক মৃত্যুৰ শাস্তি বিহিলে এজন পিতৃয়ে। মহাৰাষ্ট্ৰৰ সোলাপুৰত সংঘটিত এই ঘটনা পোহৰলৈ অহাৰ পিছতে সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। নীলা ছবিৰ প্ৰতি পুত্ৰৰ আসক্তিত বিৰক্ত হৈ অৱশেষত বিষ খুৱাই ১৪ বছৰীয়া কিশোৰজনক হত্যা কৰি মৃতদেহ পেলাই দিয়ে নলাত। আৰক্ষীয়ে জনোৱা মতে, পেছাত দৰ্জী বিজয় বাটুৰ ১৪ বছৰীয়া জ্যেষ্ঠ পুত্ৰ বিশাল নীলা ছবি চোৱাৰ প্ৰতি আসক্ত হৈ পৰিছিল। বিদ্যালয়লৈ বুলি ওলাই গৈ বন্ধুৰ সৈতে নীলা ছবি উপভোগ কৰিবলৈ আৰম্ভ কৰিছিল বিশালে। আনহাতে ছোৱালী সহপাঠীৰ সৈতে অশ্লীল আচৰণ কৰাৰ বিষয়েও বিদ্যালয় কৰ্তৃপক্ষৰ পৰা কেইবাবাৰো অভিযোগ লাভ কৰিবলগীয়া হৈছিল পিতৃ বিজয়ে। এনে কাৰণতে পুত্ৰৰ প্ৰতি ক্ষুব্ধ হৈ পৰে পিতৃ। ১৩ জানুৱাৰীত পিতৃয়ে বিশালক এঠাইলৈ ফুৰাবলৈ নিম বুলি বাইকত উঠাই লৈ যায় আৰু এক নিৰ্জন স্থানত পানীৰ সৈতে বিহ মিহলাই খুৱায়। তাৰ পিছতে বিশালৰ মৃতদেহটো নলাত পেলাই থৈ আহে বিজয় বাটুৱে। ঘৰলৈ আহি মিছাকৈয়ে পুত্ৰৰ বিচাৰ-খোচাৰ আৰম্ভ কৰি পত্নীৰ সৈতে আৰক্ষী থানাতো এজাহাৰ দাখিল কৰিবলৈ যায় বিজয়। কিন্তু ঘটণাৰ তদন্তৰ সময়ত পিতৃ বিজয় বাটুৰ কথাৰ ওপৰত আৰক্ষীৰ সন্দেহ হোৱাত সোধা-পোছা আৰম্ভ কৰে আৰু তাৰ পিছতে পোহৰলৈ আহে এই ভয়ংকৰ কাণ্ড। ইতিমধ্যে আৰক্ষীয়ে ১৪ বছৰীয়া কিশোৰজনৰ মৃতদেহ উদ্ধাৰ কৰি হত্যাকাৰী পিতৃক গ্ৰেপ্তাৰ কৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান